# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 31-10-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - -**

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত আয়োজিত ৰাষ্ট্ৰীয় একতা দিৱসৰ কৰ্যসূচীত অংশগ্ৰহণ কৰি এই দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১০ বছৰে চৰ্দাৰ বল্লভ ভাই পেটেলৰ নীতি আৰু প্ৰমূল্যৰে সমগ্ৰ ৰাষ্ট্ৰক একতাৰ ডোলেৰে বান্ধিবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাই আছে বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** নীতিৰ বিষয়ে উনুকিয়াই শ্ৰীসোণোৱালে কয় যে যি পথেৰে আগবাঢ়িবলৈ চৰ্দাৰ বল্লভ ভাই পেটেলে শক্তি দিছে, দিশ আৰু দৰ্শন দেখুৱাইছে সেই একেই পথেৰে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশ বিকাশৰ পথত আগবাঢ়িছে। শ্ৰীমোদীৰ নেতৃত্বত প্ৰতিটো বৰ্গৰ লোককে সন্মান সহকাৰে জীয়াই থকাৰ মৰ্যাদা প্ৰদান কৰি ভাৰত বৰ্তমান পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে বুলিও মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰে।

গোলাঘাট জিলাতো জিলা প্ৰশাসন আৰু গোলাঘাট আৰক্ষীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে চহৰখনত শোভাযাত্ৰাৰ লগতে বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। একেদৰে যোৰহাট জিলাতো জিলা প্ৰশাসন, জিলা আৰক্ষী, চি আৰ পি এফ আদিকে ধৰি বিভিন্ন সংস্থাৰ উদ্যোগত ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰা হৈছে।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হৈছে। দীপাৱলীৰ লগতে কালী পূজা উপলক্ষে **গোৱালপাৰাত** উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। গোৱালপাৰা নগৰৰ শান্তিনগৰ সাৰ্বজনীন শ্যামাকালী মন্দিৰত কালী পূজা উলহ-মালহেৰে পালন কৰা হৈছে। সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি চাৰিদিনীয়া কাৰ্যসূচীৰে কালী পূজা আয়োজন কৰা হয়। এই উপলক্ষে আজি মন্দিৰ প্ৰাংগণৰ পৰা বাৰেবৰণীয়া শোভাযাত্ৰা উলিওৱা হয়।

**বাক্সা** জিলাৰ হজুৱা পুনৰ মিলন সংঘৰ উদ্যোগত আজিৰে পৰা সাতদিনীয়া কাৰ্যসূচীৰে তৃতীয় বাৰ্ষিক শ্যামা পূজা পালন কৰা হৈছে।

**ধুবুৰী** জিলাতো উলহ-মালহেৰে কালী পূজা আৰু দীপাৱলী উদযাপন কৰা হৈছে। জিলাখনৰ বিভিন্ন বিপণীত দীপাৱলীৰ সামগ্ৰীৰে ভৰি পৰিছে। জিলাখনৰ বাট-পথসমূহ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে।

০০০০০

গ্ৰাম্য অঞ্চলসমূহত বিশেষ গুৰুত্ব আৰোপ কৰি বিদ্যুৎ পৰিবহন উন্নত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ১২০০ কোটি টকাৰ প্ৰকল্প হাতত লৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনাইছে যে এই বছৰৰ অক্টোবৰলৈকে ১২ হাজাৰ কিলোমিটাৰতকৈ অধিক এল টি লাইন সলনি কৰা হৈছে আৰু ২৫০ কিলোমিটাৰ নতুন ১১ কিলোভল্ট লাইন নিৰ্মাণ কৰা হৈছে। উন্নত বিদ্যুৎ ব্যৱস্থা, নিৰ্ভৰযোগ্য শক্তি আৰু ক্ৰমবৰ্দ্ধমান শক্তিৰ চাহিদা পূৰণ কৰাৰ লক্ষ্যৰে এই প্ৰকল্প হাতত লোৱা হৈছে।

০০০০০

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত বৃহৎ পৰিমাণৰ মাদক দ্ৰব্যসহ এজন যুৱকক আটক কৰা হয়। মাৰ্ঘেৰিটাৰ আৰক্ষীয়ে ১ নম্বৰ মাকুম পথাৰত চলোৱা অভিযানত প্ৰায় ৩৭ গ্ৰাম মাদক দ্ৰব্য জব্দ কৰে। আটকাধীন যুৱকজনক অধিক তথ্যৰ বাবে আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০

০০০০০

ভাৰত আৰু চীনে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলৰ ক্ষেত্ৰত থকা মতানৈক্য সমাধানৰ বাবে কূটনৈতিক আৰু সামৰিক দুয়োটা পৰ্যায়তে আলোচনাত মিলিত হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে। তেওঁ কয় যে, এই আলোচনা অনুসৰি সম আৰু পাৰস্পৰিক নিৰাপত্তাৰ ভিত্তিত বহুলভাৱে সহমতত উপনীত হয়। শ্ৰী সিঙে আজি তেজপুৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে টাৱাঙত চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তি আৰু মেজৰ ৰালেংনাও বব খাটিং 'সাহসৰ সংগ্ৰহালয়' উদ্বোধন কৰি এনেদৰে কয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে টাৱাঙত নিৰ্মাণ কৰা চৰ্দাৰ পেটেলৰ প্ৰতিমূৰ্তিয়ে একতাৰ শক্তি আৰু ভাৰতৰ দৰে বিবিধতাৰে পূৰ্ণ এখন ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা অদম্য সাহসৰ কথা জনসাধাৰণক সোঁৱৰাই দিয়াৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাব। শ্ৰী সিঙে উল্লেখ কৰে যে উত্তৰ-পূব খণ্ডৰ উন্নয়ন হ'লেহে দেশৰ সামগ্ৰিক বিকাশ সম্ভৱ হ'ব। চৰকাৰে এনে এখন উত্তৰ-পূৰ্বাঞ্চল নিৰ্মাণ কৰিব, যিখন কেৱল প্ৰাকৃতিক আৰু সাংস্কৃতিকভাৱে শক্তিশালী আৰু সমৃদ্ধই নহয়, বৰং আৰ্থিকভাৱেও উন্নত হ'ব বুলি শ্ৰী সিঙে মন্তব্য কৰে।

০০০০০

সমাপ্ত